চিৰ চেনেহী মোৰ ভাষা জননী

# নুমলীগড় শোধনাগাৰ শাখা সাহিত্য সভা

কাৰ্যালয় : সাৰ্বজনীন কেন্দ্ৰ চৌহদ, নুমলীগড় শোধনাগাৰ নগৰাঞ্চল, নুমলীগড়, কানাইঘাট-৭৮৫৬৯৯

জিলা : গোলাঘাট (অসম) :: দূৰভাষ : ২৭৫০৬০

## জা ন নী

দিনাংক : ২৯-০৭-২০১১

ইয়াৰ দ্বাৰা নুমলীগড় শোধনাগাৰৰ কৰ্মচাৰী তথা পৰিয়ালবৰ্গ আৰু নগৰাঞ্চলৰ আবাসীসকলক জনাবলৈ পাই আনন্দিত হৈছোঁ যে নুমলীগড় শোধনাগাৰ শাখা সাহিত্য সভাৰ উদ্যোগত আৰু 'শব্দ' নামৰ স্বেচ্ছাসেৱী সংগঠনটিৰ সহযোগত অহা ৩১ জুলাই, ২০১১ ৰবিবাৰে বিয়লি ৫ বজাৰ পৰা ৭ বজালৈ 'ইউনিক'ডত অসমীয়া লিখন'ৰ এখনি কৰ্মশালাৰ আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে 'শব্দ' হৈছে বিশ্বৰ বিভিন্ন প্ৰান্তত থকা কিছু সংখ্যক স্বেচ্ছাসেৱক/স্বেচ্ছাসেৱিকাৰ দ্বাৰা গঠিত এক স্বেছাসেৱী সংগঠন। যাৰ সামূহিক উদ্দেশ্য হৈছে উত্তৰ-পূব ভাৰতৰ আঞ্চলিক ভাষাসমূহৰ উন্নয়ন তথা অত্যাধুনিক প্ৰযুক্তিৰ দ্বাৰা সমগ্ৰ বিশ্বতে প্ৰচাৰ কৰা। এই লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্যে 'শব্দ'ৰ স্বেচ্ছাসেৱক/স্বেচ্ছাসেৱিকাসকলে সামূহিক প্ৰচেষ্টাত এই ভাষাসমূহৰ শব্দ গাঁঠনি, ব্যাকৰণ, অভিধানিক অৰ্থ আদি বিস্বব্যাপী উপলব্ধ হব পৰাকৈ এটি পূৰ্ণাঙ্গ ৱেব্‌চাইট প্ৰস্তুত কৰি আছে। ইয়াৰোপৰি, সংগঠনটিয়ে এই ভাষাসমূহ ইউনিক'ডত লিখিব পৰাকৈ ইতিমধ্যে এক চফ্‌ট্-ৱেৰ প্ৰস্তুত কৰি উলিয়াইছে।

নুমলীগড় শোধনাগাৰৰ কৰ্মচাৰী তথা পৰিয়ালবৰ্গ আৰু নগৰাঞ্চলৰ আবাসীসকলে যাতে এই সুবিধা লাভ কৰিব পাৰে, এই উদ্দেশ্য সৰোগত কৰি আমাৰ শাখাৰ উদ্যোগত আৰু 'শব্দ'ৰ সহযোগত অহা ৩১ জুলাই, ২০১১ ৰবিবাৰে আয়োজিত 'ইউনিক'ডত অসমীয়া লিখন'ৰ কৰ্মশালাত আপোনালোকৰ অংশ গ্ৰহণ অনিবাৰ্যভাৱে কামনা কৰা হ'ল। ইচ্ছুক অংশগ্ৰহণকাৰীসকলে নিজাববীয়াকৈ লেপটপ্, ডেস্কটপ্ অথবা পে'ন ড্ৰাইভ্ অনিব লাগিব। অংশগ্ৰহণকাৰীসকলক 'শব্দ'ৰ তৰফৰ পৰা বিনামূলীয়াকৈ চফ্‌ট্-ৱেৰ যোগান ধৰা হ'ব। উল্লেখযোগ্য যে এই কৰ্মশালাত কাৰিকৰী বিশেষজ্ঞ হিচাপে 'শব্দ'ৰ সমল ব্যক্তি শ্ৰীযুত নৱনাথ চহৰীয়া, তেজপুৰ বিশ্ববিদ্যালয়, শ্ৰীযুত কিশোৰ কাশ্যপ, গুৱাহাটী বিশ্ববিদ্যালয়, শ্ৰীযুত সাৰঙ্গ পাণি হাজৰিকা, দিল্লী পাব্লিক স্কুল, নুমলীগড় আৰু ডঃ বৰ্ণালী দেউৰী, বিবেকানন্দ কেন্দ্ৰ-এন-আৰ-এল হস্পিতেল উপস্থিত থাকিব।

কৰ্মশালাখনি সমগ্ৰিকভাৱে সাফল্যমণ্ডিত কৰি তুলিবৰ বাবে অংশগ্ৰহণকাৰীসকলক নিৰ্ধাৰিত সময়ৰ ২০ মিনিট পূৰ্বে উপস্থিত থাকিবলৈ অনুৰোধ জনোৱা হ'ল।

নুমলীগড় শোধনাগাৰ শাখা সাহিত্য সভাৰ হৈ

কৰ্মশালাৰ স্থান : সাৰ্বজনীন কেন্দ্ৰ

স্বা/-

( দীপু কুমাৰ ভট্ট )

সম্পাদক